# ১

# উপক্ৰমণিকা

## ভাষাৰ ভাষাবৈজ্ঞানিক সংজ্ঞা

১ ॥ ভাষা মানৱ-সভ্যতা আৰু সংস্কৃতিৰ মূল, ভেটি। ভাষাহীন সমাজৰ কল্পনা বৃথা; সমাজ অবিহনে সভ্যতা আৰু সংস্কৃতিও নিৰৰ্থক। ভাষাৰ হেতুকে মানুহ সমাজপ্ৰিয় প্ৰাণীত পৰিণত হৈছে। ভাষাই মানুহক পশুৰ পৰা পৃথক কৰি শ্ৰেষ্ঠতম আসন দিছে। মানৱ-জাতিৰ সৰ্ব্বাঙ্গীন উন্নতি, প্ৰগতি, জ্ঞান-বিজ্ঞানৰ চৰম উৎকৰ্ষ সাধন—এই সকলোবোৰৰ মূল ভাষা। ইয়াৰ নিমিত্তে আজি কুৰি শতিকাত 'এখন পৃথিৱী'ৰ কল্পনা সম্ভৱ হৈছে; এই কল্পনাক বাস্তৱ ৰূপ দিয়াৰ প্ৰচেষ্টাত মানৱ-জাতি আগ বাঢ়িব পাৰিছে।

এতিয়া প্ৰশ্ন হ'ল, মানৱ-জাতিৰ চৰম প্ৰয়োজনীয় এই ভাষা কি? সভ্যতা সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত অনেক পণ্ডিতে ভাষাৰ সংজ্ঞা নিৰ্ণয় কৰিছে। এই সংজ্ঞা-বোৰে ভাষাৰ প্ৰয়োজনীয়তা, উপযোগিতা আদিৰ নিৰ্দেশ দিয়ে; ইইতে ভাষাৰ এটা দিশ মাথোন পোহৰায়। ভাষাতত্ত্বৰ ফালৰ পৰা, ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীত সেই সংজ্ঞাবোৰ গ্ৰহণযোগ্য নহয়।

২ ॥ ভাষা মানুহৰ মনৰ ভাৱ প্ৰকাশক **সংকেত** অথবা **ইঙ্গিতবিশেষ**। ব্যৱহাৰিক ক্ষেত্ৰত সংকেত নানান প্ৰকাৰৰ হ'ব পাৰে: ৰেলগাড়ীৰ হুইছেল শুনিলে যাত্ৰীৰ খৰধৰ লাগে; স্কুলত ঘণ্টাৰ শব্দই ছাত্ৰ-ছাত্ৰীক সাজু হ'বলৈ সংকেত দিয়ে; দূৰৰ মানুহক মাতিবলৈ দীঘলীয়া উকি মৰা হয়; কুকুৰা চৰাইৰ ডাকে প্ৰভাত সূচায়। এইবোৰ ভাব প্ৰকাশক সংকেত, ধ্বনি সংকেত, শ্ৰূয়মাণ সংকেতবিশেষ।

ৰাস্তাৰ কাষত থকা সংকেতবোৰ আমাৰ পৰিচিত। চিত্ৰৰ সংকেতবোৰে গাড়ীচালকক নিৰ্দেশ দিয়ে। দাঁত নিকটাই থকা লাওখোলাৰ ৰঙা ছবি বিপদৰ সংকেত। ৰাস্তাৰ চৌআলিৰ মাজত পুলিচে এখন হাত ওপৰলৈ দাঙি আৰু আনখন হাত আগ বঢ়াই দি যানবাহন নিয়ন্ত্ৰণ কৰে। কলা-বোবা মানুহে হাতৰ অঙ্গীভঙ্গীৰে মনৰ ভাব প্ৰকাশ কৰে। হাঁহি-কান্দোনৰ পৰাও মানুহৰ মনৰ ভাব জানিব পাৰি।

যুদ্ধক্ষেত্ৰত শুক্ল পতাকা উৰুৱাই বশ্যতা স্বীকাৰ কৰা হয়। টেলিগ্ৰামেৰে নাইবা চিঠিৰে শত-সহস্ৰ মাইল দূৰত থকা আত্মীয়-পৰিজনৰ মঙ্গলামঙ্গলৰ বাতৰি ল'ব পাৰি। এইবোৰো সংকেত, দৃশ্যমান সংকেত। ওপৰোক্ত সকলোবোৰ সংকেতেই কথা কয়, নিৰ্দেশ দিয়ে। সেই কাৰণে বহল অৰ্থত এইবোৰক ভাষা বুলি ক'ব পাৰি; কিন্তু ভাষাবৈজ্ঞানিক সূত্ৰত ভাষা বুলি ধৰিব নোৱাৰি।

৩॥ **ভাষাৰ বিজ্ঞানসম্মত সূত্ৰ বা সংজ্ঞা:** ভাষা মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ উদ্দেশ্যে বাগিন্দ্ৰিয়ৰে উচ্চাৰণ কৰা সুসংগঠিত, সুপৰিকল্পিত ধ্বন্যাত্মক সংকেতবিশেষ। মানুহৰ মনৰ ভাব আৰু চিন্তাৰ শ্ৰূয়মাণ প্ৰতীকেই ভাষা।

ওপৰৰ সংজ্ঞাৰ প্ৰত্যেক ফাকি কথা তাৎপৰ্য্যপূৰ্ণ। বলিয়া মানুহে চিঞৰ-বাখৰ কৰে বা ভুল্ বকে; এইবোৰৰ কোনো অৰ্থ নাই। গতিকে বাগিন্দ্ৰিয়ৰে উচ্চাৰণ কৰা ধ্বনিবিশেষ হ'লেও ই ভাষা নহয়। অসমীয়া মানুহে কথা পাতোঁতে অ, আ, ই, উ, ক, খ, প, ত আদি বহুতো ধ্বনি বাগিন্দ্ৰিয়ৰে উচ্চাৰিত হয়। এই ধ্বনিবোৰৰ একোটা প্ৰণালীবদ্ধ ৰূপ বা গঠন নহ'লে ভাষা বুলি গ্ৰহণ কৰা নহয়। **আখঅৰ,** 'আখৰ', এটা শব্দ; কিন্তু **অখআৰ,** 'অখৰ', **উখঅৰ,** 'উখৰ', বা **ঔখঅৰ,** 'ঔখৰ' শব্দ নহয়। **ঘআগঅ'ৰই,** 'ঘাগৰি=কলহ' এটা শব্দ; কিন্তু **ঘআঘঅ'ৰই,** 'ঘাঘৰি' বুলিলে কোনো অৰ্থ নোলায়। আকৌ, 'সি কেতিয়া পৰা তাৰ আহিল'—অৰ কোনো উত্তৰ দিব নোৱাৰি; ই কোনো ভাব প্ৰকাশ কৰা নাই। কিন্তু 'সি তাৰ পৰা কেতিয়া আহিল' এটা বাক্য; ইয়াৰ উত্তৰ আশা কৰিব পাৰি। 'সি বা কি খায়' আৰু 'সি বাকী খায়'—একে ধ্বনিযুক্ত দুটা বাক্য; দুয়োটাৰে অৰ্থ সুকীয়া। 'তুমি নো যোৱা কিয়?' আৰু 'তুমি নোযোৱা কিয়?' এই বাক্য দুটাৰ তাৎপৰ্য্যও একে নহয়।

৪॥ **ধ্বনিৰ সুসংগঠনত ভাষাৰ সৃষ্টি হয়।** জগতৰ প্ৰত্যেক ভাষাৰে গঠন বা ৰূপ বেলেগ বেলেগ। ব্যক্তিবিশেষৰ আকৃতিগত আৰু প্ৰকৃতিগত বৈশিষ্ট্য থকাৰ দৰে প্ৰত্যেক ভাষাৰে নিজস্ব বৈশিষ্ট্য আছে। উদাহৰণ স্বৰূপে ধৰক, অসমীয়া আৰু বঙালী দুয়োটা ভাষাই মূলতঃ প্ৰাচ্য প্ৰাকৃতৰ পৰা ওলাইছে; ধ্বনি আৰু শব্দভাণ্ডাৰৰ ফালৰ পৰা উভয় ভাষাৰ মাজত বহুতো মিল আছে (সেইকাৰণে একালত অসমীয়া ভাষাক বঙালী ভাষাৰে এটা গ্ৰাম্য ৰূপ বুলি বহুতে দাবীও কৰিছিল।)। তথাপি দুয়োটা ভাষাৰ গঠন পদ্ধতিত বিৰাট ব্যৱধান দেখা যায়। ওপৰত উল্লেখ কৰা 'আখৰ' আৰু 'ঘাগৰি' শব্দ দুটাত ব্যৱহৃত ধ্বনি অ, অ,' আ, ই, খ, গ, ঘ বঙালী

আৰু অসমীয়া দুয়োটা ভাষাতে পোৱা যায়। কিন্তু ইহঁতৰ দ্বাৰা গঠিত ধ্বনি সমষ্টি অৰ্থাৎ 'আখৰ' আৰু 'বাগৰি' অসমীয়াই শব্দ বুলি গ্ৰহণ কৰিছে; বঙালী ভাষাত ইহঁত নিৰৰ্থক। সেইদৰে, অসমীয়া মানুহে 'ভাল পায়'; বঙালী মানুহে ভাল নাপায়, তেওঁলোকে মাথোন 'ভালো বাসে'।

ইংৰাজী আৰু অসমীয়া ভাষাত ল (=l), অ (=ɔ) আৰু ঙ (=ṅ) এই তিনিওটা ধ্বনিৰে উচ্চাৰণৰ স্থান আৰু ধৰণ একে বুলিব পাৰি। ইহঁতে গঠন কৰা লঅঙ 'লং' (=long) ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে ব্যৱহাৰ কৰা দুটা শব্দ। কিন্তু ইংৰাজী ভাষাৰ long (=লং) আৰু অসমীয়া 'লং' (=long) একে নহয়। সেইদৰে ইংৰাজী sin আৰু অসমীয়া 'চিন' একে ধ্বনিযুক্ত, একে গঠনৰ অথচ স্বকীয়া অৰ্থৰ দুটা ভিন্ন ভিন্ন শব্দ।

অসমীয়া ভাষাত ঙ আনবোৰৰ লগৰে এটা বাগধ্বনি। ইয়াৰ প্ৰয়োগ অন্যান্য ধ্বনিৰ লগত নিমিলে। ক, খ, গ, প, ম আদি ধ্বনিবোৰ আদিতে লৈ শব্দ গঠিত হ'ব পাৰে; যেনে 'কৰম', 'খৰম', 'গৰু', 'পকৰা', 'মৰমিয়াল' ইত্যাদি। কিন্তু ঙ ধ্বনিৰে শব্দ আৰম্ভ কৰিব নোৱাৰি। সেইকাৰণে 'ঙ' বৰ্ণ অকলে উচ্চাৰণ কৰিবলৈকো আমি টান পাওঁ [১]। বৰ্মীয় বা থাই আদি ভাষাতো ঙ-অৰ উচ্চাৰণ অসমীয়া ঙ-অৰ দৰেই। কিন্তু সেইবোৰ ভাষাত ঙ-অৰে শব্দ আৰম্ভ হয়; সেইদেখি সেইবোৰ ভাষাভাষী মানুহে ইয়াক অতি সহজে অকলে উচ্চাৰণ কৰিব পাৰে। ঙআ ধ্বনি সমষ্টিৰ অসমীয়াত কোনো অৰ্থ নাই; মণিপুৰী ভাষাত কিন্তু ই 'মাছ' অৰ্থ বুজায়। ভাষাৰ এনেবোৰেই হ'ল গঠনমূলক বা ৰূপাত্মক (structural) পাৰ্থক্য। এই পাৰ্থক্যই বা গঠনপদ্ধতিয়ে একে ধ্বনিযুক্ত ভাষাকো স্বকীয়া ভাষাত পৰিণত কৰে।

## ভাষা-বিজ্ঞান

৫॥ ভাষা বিশ্লেষণৰ দুটা দিশ দেখা যায়: এটা দিশ গঠনপদ্ধতিমূলক (formal or structural) আৰু আনটো এই গঠনপদ্ধতিত প্ৰযুক্ত অৰ্থাৎ আৰোপিত ভাব বা অৰ্থ সম্পৰ্কীয়, অৰ্থতত্ত্ব (Semantics)-মূলক। অৰ্থতত্ত্বমূলক দিশটো সমাজ-বিজ্ঞানৰ (Social Sciences) বিভিন্ন বিভাগৰ লগত, বিশেষকৈ সামাজিক মনস্তত্ত্বৰ

১ পাঠশালাৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীক ব্যঞ্জনবৰ্ণ পঢ়াওঁতে কঅ, খঅ, গঅ, ঘঅ, উঙঅ বুলিহে পঢ়ায়। ঙ ধ্বনিৰে শব্দ আৰম্ভ নহয় কাৰণে ইয়াক অকলে উচ্চাৰণ কৰিবলৈকো টান, আৰু সেয়েহে ঙ-অৰ আগত উ স্বৰধ্বনি দি উঙঅ উচ্চাৰণ কৰা হয়।